**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-07-2025 **Time :** 1205 Hrs.

## <u>Assamese Midday Bulletin</u>

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অসম মাধ্যমিক বিদ্যালয় কাৰ্যালয়ৰ সহায়ক সন্থাৰ অধিবেশনৰ বাবে প্ৰতিনিধিসকলৰ বিশেষ ছুটি মঞ্জুৰ কৰিছে। অহা ১০ জুলাইৰ পৰা ১২ জুলাইলৈ ধেমাজিৰ চিলাপথাৰত মাধ্যমিক বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ ১৯ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব।

0000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গড়ৰ খৰ্গৰ ডি এন এ নমুনা সংগ্ৰহৰ কাম আৰম্ভ হৈছে। ২০২১ বৰ্ষত প্ৰশাসনে মুঠ দুহেজাৰ ৪৭৯টা গড়ৰ খৰ্গ দাহ কৰিছিল। দাহ কৰাৰ পূৰ্বে খৰ্গসমূহৰ কিছু অংশ সংৰক্ষণ কৰা হৈছিল আৰু সেই অংশসমূহৰ পৰাই এতিয়া ডি এন এ নমুনা সংগ্ৰহ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বন সংমণ্ডল বিষয়া অৰুণ ভিগনেছে সংবাদ মাধ্যমক জনোৱা অনুসৰি খৰ্গসমূহৰ ডি এন এৰ নমুনা সংগ্ৰহৰ পাছত ডেৰাডুনত থকা ৱাইল্ড লাইফ ইনষ্টিটিউট অব ইণ্ডিয়ালৈ সেইসমূহ প্ৰেৰণ কৰিব। তাত বিজ্ঞানীসকলে ডি এন এৰ তথ্য বিশ্লেষণ কৰি সংৰক্ষণ কৰিব।

0000000

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ ডিমা হাছাওৰ মুপা ষ্টেচনৰ সমীপত কালি ভূমিস্খলনৰ বাবে বদৰপুৰ-লামডিং অংশৰ ৰে'লপথছোৱা বন্ধ হৈ পৰে। ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত কালি পুৱা শিলচৰৰ পৰা গুৱাহাটী অভিমুখী এক্সপ্ৰেছ ৰে'লখন আবদ্ধ হৈ পৰাৰ লগতে ১৫৬১৬ শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, ১৩১৭৪ কাঞ্চনজংঘা এক্সপ্ৰেছ, ১২৫২০ আগৰতলা-লোকমান্য তিলক এক্সপ্ৰেছ, ১৫৬১৮ দুৰ্লভছৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু ১৪৬১৯ আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখন বিভিন্ন ষ্টেচনত নিয়ন্ত্ৰিত কৰা হৈছে।

0000000

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা কালি প্ৰকাশ কৰে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা প্ৰাৰ্থীসকলৰ বাবে কাইলৈৰ পৰা ১০ জুলাইলৈ খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত নথি পৰীক্ষণ কৰা হ'ব। প্ৰাৰ্থীসকলক যাৱতীয় শৈক্ষিক অৰ্হতাৰ প্ৰমাণপত্ৰসহ নথী পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে বৰ্তমান দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ কৰি থকা হৈছে।

0000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিলুপ্তপ্ৰায় ৰাং কুকুৰৰ সন্ধান পোৱা গৈছে। কাৰ্বি আংলঙৰ আমগুৰি এনিমেল কৰিডৰত স্থাপন কৰা কেমেৰাত ৰাং কুকুৰৰ বিচৰণৰ দৃশ্য বন্দী হৈছে। বিগত

প্ৰায় তিনি বছৰে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ বাবে পৰ্যবেক্ষণ আৰু পৰীক্ষা-নীৰিক্ষা চলাই থকাৰ অন্তত উদ্যানখনত ৰাং কুকুৰৰ অৱস্থিতিৰ তথ্য পোৱা গৈছে। সমগ্ৰ বিশ্বত মূলতঃ দুই প্ৰকাৰৰহে ৰাং কুকুৰ পোৱা যায়। এটা প্ৰজাতিৰ ৰাং কুকুৰ এছিয়াত আৰু আনটো প্ৰজাতি দক্ষিণ আফ্ৰিকাত পোৱা যায়। কিছুদিন পূৰ্বে এগৰাকী পৰিৱেশ কৰ্মীয়ে মানস ৰাষ্ট্ৰীয় উদ্যানতো ৰাং কুকুৰৰ অৱস্থিতি লক্ষ্য কৰিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ তথ্য আলোকচিত্ৰসহ প্ৰকাশ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

কেইবাদিন ধৰি হৈ থকা বৰষুণৰ ফলত অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকীৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। নগা পাহাৰৰ পৰা প্ৰৱাহিত নামদাং, দৈ-খনা, দিচৈ, ডেন্সি আদি উপনৈসমূহৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে গেলেকীৰ নচুক, নআলি, বামুণগাঁও, ৰঙাগড়া, চপৰীয়া, মৰাণগাঁও, কছাৰী, তল মৰাণগাঁও, ওপৰ নামচাই, চৰাইসজীয়া, নমাটি, কাটনিপাৰ, বনুৱা আদি অঞ্চল বানত বুৰ গৈছে। বানৰ ফলত গেলেকীৰ এই বৃহত্তৰ অঞ্চলত খোৱাপানীকে ধৰি খাদ্য সমস্যাই দেখা দিছে। বান ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সকাহ প্ৰদানৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

লখিমপুৰ জিলাত কালি পুৱাৰেপৰা চলোৱা বৃহৎ উচ্ছেদ অভিযানত ২৮৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। দেবেৰা দলনি, খ্ৰীষ্টান গাঁও আৰু ফুকনৰ হাট নামৰ গাঁও তিনিখনত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬-ৰ পট্টন বিধিৰ অধীনত উচ্ছেদ চলোৱা হয়। অঞ্চলকেইটাত অবৈধভাৱে বসবাস কৰা ২১৮ টা পৰিয়াললৈ প্ৰশাসনে ইতিমধ্যে ২৬ জুনৰ ভিতৰতে অঞ্চলসমূহ খালী কৰি দিবলৈ জাননী জাৰি কৰিছিল যদিও দখলকাৰীসকলে প্ৰশাসনৰ জাননীৰ প্ৰতি সঁহাৰি জনোৱা নাছিল।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৬ জুলাই পৰ্যন্ত ৰাজ্যৰ কেইবাখনো জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি বংগোপ সাগৰৰ পৰা জলীয় বাষ্পৰ প্ৰভাৱত আজিৰপৰা ৬ জুলাইলৈ ৰাজ্যৰ ঠাইবিশেষে বিজুলী ধেৰেকণিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বিভাগটোৱে আজি বৰপেটা আৰু বঙাইগাঁৱৰ কেতবোৰ ঠাইত ৭ ৰ পৰা ১১ ছেণ্টিমিটাৰৰ পৰা ১২ৰ পৰা ২০ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। একেদৰে কাইলৈ আৰু পৰহিলৈ পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ ঠাই বিশেষে বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

**সমাপ্ত**